**THE GAUHATI HIGH COURT**

(The High Court of Assam, Nagaland, Mizoram and Arunachal Pradesh)

Main Written Examination for direct recruitment to Grade-I of Assam Judicial Service, 2022

Total Marks: 50 (Fifty) Duration: 2 hours

Date: 11.12.2022 (Sunday) Time: 1 p.m. to 3 p.m.

**PAPER- IV**

১. তলৰ শব্দ কেইটিৰ বিপৰীত শব্দ লিখক- 0.5x6=3

ক) তাৰৈ খ) মখনা গ) ঘঁৰিয়াল ঘ) বিয়ৈ

ঙ) ৰাজকুমাৰ চ) ননদ

২. বন্ধণীৰ ভিতৰত দিয়া শব্দৰ পৰা তলত দিয়া শব্দবোৰৰ সুদ্ধ সমানৰ্থক বাছি লিখক- 0.5x6=3

(হুতাশন, ৰসনা, দ্বিপ, ভানু, ডাৱৰ, নিলয়)

ক) ঘৰ খ) হাতী গ) জুই ঘ) জিভা ঙ) মেঘ চ)অৰুণ

৩. তলৰ শব্দকেইটিৰ সন্ধি ভাঙক- 0.5x6=3

ক) হিমালয় খ) বিবেকানন্দ গ) মেঘালয় ঘ) শতাব্দ ঙ) কাৰাগাৰ চ) উমানন্দ

8. অৰ্থ লিখি বাক্য ৰচনা কৰক- 1.5x4=6

ক) অজীণ পাতকী খ) খামি ডাঠ গ) পানীৰ মিঠৈ ঘ)নলে-গলে লগা

৫. তলৰ শব্দকেইটিৰ অসমীয়া পৰিভাষা লিখক- 1x5=5

ক) Attorney General খ)Advocate General গ)Public Prosecutor ঘ) Approver ঙ)Code

৬. তলৰ যিকোনো এটাৰ ভাৱ সম্প্ৰসাৰণ কৰক- 5

ক) স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা। -

লক্ষ্মীনাথ বেজবৰুৱা

খ) উদ্যোগী পুৰুষ সিংহই কেৱল লক্ষ্মীকেই লাভ কৰে এনে নহয়; সৰস্বতীকো লাভ কৰে।-

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ

৭. কবি হিৰেন ভট্টাচাৰ্য দেৱে লিখা "মোৰ দেশ" নামৰ কবিতাটিৰ তলত দিয়া পংক্তিটো প্ৰসংগ সংগতি লগাই বাখ্যা কৰক- 2+3=5

"এনে বহু যাত্ৰাৰ শেষ মোৰ দেশ । যাৰ বুকুৰ উমে মোক দিছে ভালপোৱাৰ আনন্দ যৌৱন প্ৰাচুৰ্য।জীৱনৰ নতুন অৰ্থ। এই দেশৰ প্ৰতিটো পুৱাই মোলৈ লুকাই আনে ঐশ্বৰ্যৰ বিপুল সম্ভাৰ। প্ৰতিটো সন্ধিয়াই বৈ আনে স্নিগ্ধ ফুলৰ সুবাস । প্ৰতিটো ঋতুৱে মোক দি যায় জীৱনৰ আশীৰ্বাদ ।"

৮. জিলা আৰু সত্ৰ ন্যায়ধিশৰ কাৰ্যালয়ৰ চিৰস্তদাৰে দিয়া তলৰ টোকাটো পঢ়ক আৰু ইয়াৰ ওপৰত বিহিত প্ৰশাসনীয় হুকুম এটা লিখক। 5

"মহাশয়, আমাৰ কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী 'ক' য়ে যোৱা ৭ দিন ধৰি কোনো খবৰ নিদিয়াকৈ কাৰ্যালয়ত অনুপস্থিত আছে। বিশেষ সুত্ৰৰ পৰা গম পোৱা গৈছে যে তেওঁৰ মাকৰ অসুখৰ বাবে হাস্পাতালত আছে। আমাৰ কাৰ্যালয়ৰ নথি মতে দেখা যায় যে তেওঁৰ ২ দিন নৈমিত্তিক চুটি মজুত আছে।

মহোদয়ৰ ওচৰত বিহিত হুকুমৰ বাবে এই টোকা প্ৰস্তুত কৰা হল।"

৯. যোৱা নিশা আপোনাৰ অঞ্চলত এজন লোকৰ মৃতদেহ ৰাস্তাৰ দাঁতিত পৰি থকা দেখা গৈছে। ঘটনাৰ বিষয়ে সবিশেষ জনাই আপোনাৰ ওচৰৰ আৰক্ষী নিবেশৰ প্ৰভাৰী বিষয়াক জনাই এখন এজাহাৰ লিখক। 5

১০. তলত উল্লেখ কৰা অসমীয়া ভাষাৰ সাহিত্যিক দুগৰাকীৰ ভিতৰত যিকোনো এগৰাকীৰ কৰ্মৰাজীৰ ওপৰত আলোকপাত কৰক- 5

(ক) লক্ষ্মীনাথ বেজবৰুৱা।

(খ) নিৰ্মলপ্ৰভা বৰদলৈ।

১১. তলৰ অনুচ্ছেদটো অসমীয়া অনুবাদ কৰক - 5

By destroying nature, environment, man is committing matricide, having in a way killed Mother Earth. Technological excellence, growth of industries, economical gains have led to depletion of natural resources irreversibly. Indifference to the grave consequences, lack of concern and foresight have contributed in large measures to the alarming position. In the case at hand, the alleged victim is the flora and fauna in and around Kudremukh National Park, a part of the western Ghats. The forests in the area are among 18 internationally recognized "hotspots" for biodiversity conservation in the world.

T.N. Godavarman Thirumulpal

Vs.

Union of India & Ors.